# ৰূপক

## হৰেকৃষ্ণ ডেকা

আকাশৰ ফুলনি
ফুলেৰে জাতিষ্কাৰ হৈ আছে
নে
জ্যোতিষ্কৰ আতচবাজীত
দীপাৱলী হৈ আছে!
বেলেগ বেলেগ চকুৰে
বেলেগ বেলেগ ৰূপক।
অণু-পৰমাণুৰ খেলাত
জ্যোতিৰ্পথ আৰু অন্ধকাৰ
একাকাৰ নে অন্য আকাৰ
বুজাব নোৱাৰি
শব্দ স্তব্ধ,
আৰু ৰূপকত মাথোন আশ্ৰয়।
এতিয়া এক নিৰ্দয় বাস্তৱেও
অভিধাত বাট বিচাৰি পোৱা নাই।
কোনে জানিছিলে ভাইৰাছ কেৱল
ৰোগৰ পৰিবাহক নে
অৰ্থনীতিৰ পৰিমাপক!
অথবা ই তাৰ নিজৰ অস্তিত্ব ৰক্ষাৰ
আপ্ৰাণ প্ৰয়াস!
ৰূপকত তাৰ স্বৰূপ নিবিচাৰি
বিজ্ঞানেই বা কোন ভাষাৰে
প্ৰকাশ কৰিব?

# নৈয়ে গঢ়া চাপৰিত

## শৰৎ লইং

হু হুকৈ বলিছে বতাহ
কঁপি উঠিছে
নকৈ বাঢ়ি অহা
আহু ধানৰ সেউজীয়া
ৰিহা

হুৰহুৰাই উৰি গৈছে
এজাক
বতা চৰাই
ভৰ দুপৰীয়া চাপৰিটো
হৈ পৰিছে ৰিঙা

অদূৰত বাজিছে এটা
বাঁহীৰ সুৰ
গোনা ম'হৰ পিঠিত উঠি
গৰখীয়া,
ৰিং মাৰি নৈৰ পানীত
এজাক জাকৈয়া...

আহু ধানৰ পথাৰত
কনেংহঁতৰ আলচ
ঘৰ এখন কৰা
এবুকু আশা

জিৰিজিৰিকৈ
বৈ থাকে নৈৰ পানী
হুৰহুৰাই বতাহ
শেলুবৈৰ ডোঙাত মাছ পুঠি-খলিহনা
বহাগৰ ন ধলত নৈৰ ওপচে পাৰ

নকৈ গঢ়িব খোজা এখন
সংসাৰ
দুচকুত এটি এটি সপোনৰ
বুটাবছা তৰা

আহু ধান নিয়াই
কনেংহঁতৰ দুহাতত
খন্তিৰ ধাৰ

এয়া যে বহাগ মাহ
এয়া যে বহাগ মাহ...!

# শব্দ ব্ৰহ্ম

## অৰ্চনা পূজাৰী

শব্দৰ গৰ্ভ ফালি আত্মা বিচাৰোঁতে
বুজি পালোঁ
শব্দৰ মহিমা অপাৰ
এটা মাথোঁ শব্দই লৈ ফুৰিব পাৰে
শকুনিৰ মনৰ সমস্ত হুতাহ

দিন-প্ৰতিদিন মানুহবোৰে
শব্দৰ সতে উঠে, বহে, শোৱে নে প্ৰাণটাকি দৌৰে

ৰজা-মহাৰজাৰ কথাৰ ফুলজাৰিত
অথবা তৰোৱালৰ আগত ই হয়
শেনৰ এজাত
হেৰেমত সোমালে সেই শব্দ
গোলাপ হৈ ফুলে
নুৰজাহানৰ হাতত

কেতিয়াবা চুক্তি কৰে
কেতিয়াবা ভংগ কৰে

সন্তৰণবিদক পিছত থৈ
পানীত ঢৌ তোলে, শব্দই পাৰত খুন্দিয়ায়

সৰল শব্দটো জটিল হৈ পৰোঁতে
অভিধান চবিয়াই চবিয়াই
অৰ্থ উদ্ধাৰ কৰা সহজ নহয়

এটা শব্দই উৰুৱাই নিব পাৰে
বিজুলী, বজ্ৰ, ধুমুহা
এটা শব্দই লেলিহান শিখা হৈ
চেলেকিব পাৰে
বাঘজানৰ আকাশ

এটা শব্দই নদীৰ বুকুৰে গৈ
ডাৱৰ হ'ব পাৰে
সিঁচি দিব পাৰে
বগাকৈ বৰষুণ এজাক

# ঢেঁকীশাল

## আত্ৰেয়ী গোস্বামী

পদুলিৰ নাহৰজোপা ধুমুহাত হাওলি পৰোঁতেই
বুঢ়ীআয়ে সপোন এটা দেখিছিল,
পিছচোতালত ঢেঁকী এটা পাতিব
কিমান আৰু আৰ ঘৰে তাৰ ঘৰে পিঠাগুড়ি খুন্দিব?

নাহৰ কাঠৰ ঢেঁকীটো পুবমুৱাকৈ পাতি দি
দহটকীয়া কাইটিয়ে হাতীখুজীয়া বাটিত
এটা পকা জলপান খাইছিল,
ম'হৰ গাখীৰৰ আঠা
হাতৰপৰা পযেকলৈ নগৈছিল,
কাইটিৰ মুখত আইৰ গুণগান গাঁৱৰ ঘৰে ঘৰে ফুৰিছিল।

ঢেঁকী হ'ল, সপোন পূৰা হ'ল
পিছচোতালত চালি এখন দি ঢেঁকীশাল কৰা হ'ল।
তাতে বহে বিয়নী মেল
সখীয়েকহঁতৰ থোকাথুকি মাতবোৰ
ঢেঁকীৰ চাবে গিলি থয়।

তিনিটা দোমাহীত ঢেঁকীশাল ৰজনজনায়
অসময়তো তিলৰ গোন্ধে জোকায়
বোৱাৰীহঁতে চাহৰ বাটি যতনায়
গাঁওখনৰ কথাবোৰ মুখে মুখে লাগি আহি
ঢেঁকীশালতে অলপ জিৰায়।

ঢেঁকীৰ নেজত লাগি ৰয় চিনাকি ভৰিৰ ছাপ
ঢেঁকীশাল সাক্ষী এছোৱা সময়ৰ ঢাপ
আযলশলাই হেলেক পেলেক হ'ল
ঢেঁকীশালৰ ডুলিটো এলাগি হৈ ৰ'ল।
বঢ়নী মাৰি ডাঁৰিকী হোৱাৰ দিনাই
খুবলিত পানী জমা হ'ল।
বৰষুণ দিলে বোৱাৰীহঁতে ঢেঁকীশালতে
তিয়নী মেলা হ'ল।

ঘুণে ধৰা ঢেঁকীটোৰে ঢেঁকীশাল আজিও শুৱনি
তামোলৰ বটাটো ঢেঁকীশালৰ অতিথি
ইতিহাস বুকুত সাঁচি ঢেঁকীশাল চহকী
চেৰাশালি হোৱা ঢেঁকীশালৰ চুকটোত
নোপজাকেইটাৰ চেৰেউ-ফেৰেউ বিননি।

ঢেঁকীশালৰ ছবি ধুঁৱলী-কুঁৱলী
ঢেঁকীশালৰ কাহিনী বহু পুৰণি।